# Official Spokesperson's response to a query on reference to Jammu & Kashmir in the Joint Statement issued by China and Pakistan

March 17, 2020

# চীন আৰু পাকিস্তানে ৰিজু কৰা যুটীয়া ভাষ্যত কৰা জম্মু আৰু কাশ্মিৰৰ বিষয়ে কৰা উল্লেখৰ বিষয়ে কৰা সংবাদ মাধ্যমৰ প্ৰশ্নৰ ওপৰত কাৰ্যকাৰি মুখপাত্ৰৰ প্ৰতিক্ৰিয়া

মাৰ্চ 17, 2020

**এক প্ৰশ্নৰ উত্তৰ হিচাপে কাৰ্যকৰি মুখপাত্ৰ, মিঃ ৰবিচ কুমাৰে কয়,**

“পাকিস্তানি ৰাষ্ট্ৰপতিৰ শেহতীয়া চীন ভ্ৰমণৰ পিছত চীন আৰু পাকিস্তানে ৰিজু কৰা যুটীয়া ভাষ্যত যি জম্মু আৰু কাশ্মিৰৰ উল্লেখে আছে, সেয়া আমি অস্বিকাৰ কৰিছোঁ। কেন্দ্ৰশাসিত জম্মু আৰু কাশ্মিৰ অঞ্চল ভাৰতৰ এক প্ৰমুখ অংশ। জম্মু আৰু কাশ্মিৰ সম্বন্ধীয় বিষয়বোৰ ভাৰতৰ অভ্যন্তৰীণ বিষয়। আমি আশা কৰোঁ যাতে চীনৰ দৰে আন দেশ ভাৰতৰ অভ্যন্তৰীণ বিষয়ৰ ওপৰত মন্তব্য নকৰে আৰু ভাৰতৰ সাৰ্বভৌমত্ব আৰু আঞ্চলিক অখণ্ডতাৰ সন্মান কৰে যিদৰে ভাৰতে আন দেশৰ অভ্যন্তৰীণ বিষয়ৰ ওপৰত মাত নামাতে।

আন হাতে, ভাৰতে চীন আৰু পাকিস্তানৰ প্ৰতি কঠোৰ বিৰোধ আৰু চিন্তা পুনৰ উল্লেখ কৰিব বিচাৰে তথাকথিত অবৈধ “চীন পাকিস্তান অৰ্থনৈতিক কৰিডৰ” প্ৰকল্পৰ ক্ষেত্ৰত, ভাৰতৰ সেই অঞ্চলত যি পাকিস্তানে 1947 চনৰ পৰা অবৈধ ধৰণে দখল কৰি ৰাখিছে। পাকিস্তানে দখল কৰা জম্মু আৰু কাশ্মিৰৰ অংশৰ অৱস্থিতি পৰিৱৰ্তন কৰিবলৈ আন দেশে কৰা কাৰ্যৰ ভাৰত কঠোৰ বিৰোধী। আমি সকলো পক্ষকে এনে কাৰ্য বন্ধ কৰিবলৈ আহ্বান জনাইছোঁ। এনে অবৈধ কাৰ্য ভাৰতে কেতিয়াও গ্ৰহণ কৰি নলয়।”

**নতুন দিল্লী**
**মাৰ্চ 17, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.